# Annexure I

## Details Programme Structure of MA in Assamese

**স্নাতকোত্তৰ অসমীয়া ঃ**

অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ বিস্তৃত পৰিসৰৰ বিষয়ে জানিবলৈ আগ্ৰহী যিকোনো বিষয়ৰ স্নাতক উপাধিধাৰী শিক্ষাৰ্থীৰ বাবে স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰম প্ৰস্তুত কৰা হৈছে। সেই লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি বিশ্ববিদ্যালৰ স্নাতকোত্তৰ অসমীয়াৰ পাঠ্যবিষয়সমূহ এনেভাৱে প্ৰস্তুত কৰা হৈছে যাতে স্নাতক পৰ্যায়ত অসমীয়া বিশেষ বিষয় হিচাপে অধ্যয়ন কৰা সকলৰ লগতে যিকোনো বিষয়ৰ স্নাতকসকলেও এই পাঠ্যবিষয়সমূহ সহজে অনুধাৱন কৰিব পাৰে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এই স্নাতকোত্তৰ পাঠ্যক্ৰম 'ভাষা' আৰু 'সাহিত্য' — এই দুটা শাখাত আগবঢ়োৱা হৈছে। দুয়োটা শাখাৰ শিক্ষাৰ্থীসকলে বাধ্যতামূলক হিচাপে অসমীয়া সাহিত্যৰ বুৰঞ্জী, নিৰ্বাচিত কবিতা, নাটক, গদ্য সাহিত্য, উপন্যাস, চুটিগল্প, সমালোচনা সাহিত্য, লিপি আৰু পাঠ সমীক্ষাৰ উপৰি অসমীয়া সংস্কৃতি সম্পৰ্কে অধ্যয়ন কৰিব লাগিব। সাহিত্য শাখাৰ শিক্ষাৰ্থীসকলে বিশেষভাৱে অসমীয়া ভক্তি সাহিত্য, পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ, সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ, অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ, তুলনামূলক ভাৰতীয় সাহিত্য, অনুবাদ সাহিত্য আৰু নিৰ্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন (লক্ষ্মীনাথ বেজবৰুৱা অথবা নৱকান্ত বৰুৱা) কৰিব লাগিব। ঠিক সেইদৰে ভাষা শাখাৰ শিক্ষাৰ্থীসকলে বিশেষভাৱে ভাষা-বিজ্ঞানৰ সাধাৰণ পৰিচয়, পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ, ধ্বনিতত্ত্ব আৰু অসমীয়া ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু অসমীয়া ৰূপতত্ত্ব, উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা, তিব্বত-বৰ্মীয় ভাষা সম্পৰ্কে অধ্যয়ন কৰিব লাগিব। এই পাঠসমূহে শিক্ষাৰ্থীসকলক সৃষ্টিশীল ৰচনাৰ ক্ষেত্ৰখনত আগবঢ়াই যোৱাত সহায় কৰিব। লগতে যুক্তিনিষ্ঠ আৰু সমালোচনাত্মক দৃষ্টিভংগীৰে কেনেদৰে বিষয়বস্তুৰ ব্যাখ্যা আৰু বিশ্লেষণ কৰিব পাৰে সেই পাঠো আগ্ৰহী শিক্ষাৰ্থীক প্ৰদান কৰিব।

### বিষয় গাঁথনি

| পাঠ্য বিষয় | স্ব-শিক্ষণ সামগ্ৰী সূচাংক | ক্ৰেডিট পইণ্ট | ষাণ্মাসিক | মুঠ নম্বৰ |
|---|---|---|---|---|
| অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদিৰ পৰা মধ্যযুগলৈ) | MAS-01 | 4 | প্ৰথম | 20+80 |
| অসমীয়া কবিতা | MAS-02 | 4 | প্ৰথম | 20+80 |
| অসমীয়া নাটক | MAS-03 | 4 | প্ৰথম | 20+80 |
| অসমীয়া সংস্কৃতি | MAS-04 | 4 | প্ৰথম | 20+80 |
| অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদয় যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ) | MAS-05 | 4 | দ্বিতীয় | 20+80 |
| অসমীয়া গদ্য সাহিত্য | MAS-06 | 4 | দ্বিতীয় | 20+80 |
| অসমীয়া উপন্যাস | MAS-07 | 4 | দ্বিতীয় | 20+80 |
| অসমীয়া চুটিগল্প | MAS-08 | 4 | দ্বিতীয় | 20+80 |
| সাহিত্য সমালোচনা | MAS-09 | 4 | তৃতীয় | 20+80 |
| অসমীয়া ভক্তি সাহিত্য | MAS-10(Lit)# | 4 | তৃতীয় | 20+80 |
| পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ | MAS-11(Lit) | 4 | তৃতীয় | 20+80 |
| সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ | MAS-12(Lit) | 4 | তৃতীয় | |
| ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয় | MAS-10(Lan)## | 4 | তৃতীয় | 20+80 |
| পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ | MAS-11(Lan) | 4 | তৃতীয় | 20+80 |
| ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব | MAS-12(Lan) | 4 | তৃতীয় | 20+80 |
| লিপি আৰু পাঠ সমীক্ষা | MAS-13 | 4 | চতুৰ্থ | 20+80 |
| অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ | MAS-14(Lit) | 4 | চতুৰ্থ | 20+80 |
| তুলনামূলক সাহিত্য তত্ত্ব আৰু ভাৰতীয় সাহিত্য | MAS-15(Lit) | 4 | চতুৰ্থ | 20+80 |
| অনুবাদ সাহিত্য আৰু বিশেষ সাহিত্যিক* | MAS-16(Lit) | 4 | চতুৰ্থ | 20+80 |
| প্ৰকৃতি বিজ্ঞান আৰু অসমীয়া ৰূপতত্ত্ব | MAS-14(Lan) | 4 | চতুৰ্থ | 20+80 |
| উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা | MAS-15(Lan) | 4 | চতুৰ্থ | 20+80 |
| তিব্বত-বৰ্মীয় ভাষা আৰু ইয়াৰ তুলনা | MAS-16(Lan) | 4 | চতুৰ্থ | 20+80 |

#Lit = সাহিত্য শাখাৰ বাবে

##Lan = ভাষা শাখাৰ বাবে

* উল্লেখযোগ্য যে চতুৰ্থ যান্মাসিকৰ চতুৰ্থখন পাঠ্যবিষয়ত অন্তৰ্ভুক্ত হোৱা "অনুবাদ সাহিত্য" ভাগটি সাহিত্য শাখাৰ সকলোৰে বাবে বাধ্যতামূলক আৰু দ্বিতীয় ভাগটিত সন্নিবিষ্ট "লক্ষ্মীনাথ বেজবৰুৱা" অথবা "নৱকান্ত বৰুৱা" — যিকোনো এজনৰ সাহিত্যকৰ্মৰ বিষয়ে বিশেষভাৱে অধ্যয়ন কৰিব লাগিব।

## Annexure II

## Details Syllabus of MA in Assamese

### বিস্তৃত পাঠ্যতালিকা
### অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

# প্ৰথম ষাণ্মাসিক

**প্ৰথম পাঠ্যবিষয় ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী** (আদিৰ পৰা মধ্য যুগলৈ)

মুঠ ক্ৰেডিট ঃ = ৪

মুঠ নম্বৰ ঃ **৮০+২০ = ১০০**

**অধ্যায় ১ ঃ প্ৰাচীন অসমীয়া সাহিত্যৰ ৰূপ**

প্ৰাচীন অসমীয়া সাহিত্যৰ ৰূপ ঃ প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰত্নস্তৰ, শিলালিপি, তাম্ৰলিপি আদি, শাসনাৱলী; প্ৰাচীন অসমীয়া সাহিত্যৰ বিষয়বস্তু উপস্থাপন ৰীতি, বৰ্ণনা ৰীতি, শব্দ প্ৰয়োগ ইত্যাদি

**অধ্যায় ২ ঃ উদ্ভৱ কালৰ অসমীয়া সাহিত্য**

উদ্ভৱ কালৰ অসমীয়া ভাষা; অসমীয়া লোক-সাহিত্য ঃ মন্ত্ৰ সাহিত্য, ইয়াৰ শ্ৰেণী বিভাজন আৰু বৈশিষ্ট্য, ডাকৰ বচন, ইয়াৰ পৰিচয় আৰু বিষয়বস্তু

**অধ্যায় ৩ ঃ প্ৰত্ন আৰু মিশ্ৰ অসমীয়া সাহিত্য — ১**

প্ৰত্ন আৰু মিশ্ৰ অসমীয়া সাহিত্য ঃ *চৰ্যাপদ, শ্ৰীকৃষ্ণ কীৰ্ত্তন*

**অধ্যায় ৪ ঃ প্ৰত্ন আৰু মিশ্ৰ অসমীয়া সাহিত্য — ২**

প্ৰত্ন আৰু মিশ্ৰ অসমীয়া সাহিত্য ঃ *শূন্যপুৰাণ,* নাথ সাহিত্য

**অধ্যায় ৫ ঃ প্ৰাক্-শংকৰী যুগ**

প্ৰাক্- শংকৰী যুগৰ সাহিত্য আৰু সাহিত্যিকসকল ঃ হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, হৰিবৰ বিপ্ৰ, মাধৱ কন্দলি, ৰুদ্ৰ কন্দলি

**অধ্যায় ৬ ঃ শংকৰী যুগৰ অসমীয়া সাহিত্য — ১**

শঙ্কৰী যুগৰ সাহিত্য; শঙ্কৰদেৱ ঃ শঙ্কৰদেৱৰ সাহিত্যৰ বৈশিষ্ট্য, শঙ্কৰদেৱৰ কাব্যকৃতি, শঙ্কৰদেৱৰ ভক্তিতত্ত্ব গ্ৰন্থ, শঙ্কৰদেৱৰ অনুবাদমূলক ৰচনাকৃতি, শঙ্কৰদেৱৰ নাম-প্ৰসঙ্গমূলক গ্ৰন্থ, শঙ্কৰদেৱৰ সাহিত্যৰ বিশ্লেষণ

**অধ্যায় ৭ ঃ শংকৰী যুগৰ অসমীয়া সাহিত্য — ২**

মাধৱদেৱ ঃ মাধৱদেৱৰ আখ্যানমূলক ৰচনা-সম্ভাৰ, মাধৱদেৱৰ তত্ত্বমূলক ৰচনা সম্ভাৰ, মাধৱদেৱৰ নাট্য সম্ভাৰ, মাধৱদেৱৰ গীতসমূহ

**অধ্যায় ৮ ঃ শংকৰী যুগৰ অসমীয়া সাহিত্য — ৩**

অনন্ত কন্দলি ঃ অনন্ত কন্দলিৰ কাব্য ৰচনাসমূহ, অনন্ত কন্দলিৰ অনুবাদ কৃতি, ৰাম সৰস্বতী ঃ ৰাম সৰস্বতীৰ *মহাভাৰত*ৰ অনুবাদ, ৰাম সৰস্বতীৰ বধ কাব্যৰাজি, ৰাম সৰস্বতীৰ *মহাভাৰত*ৰ বাহিৰে অন্য কাব্যৰ অনুবাদ, ৰাম সৰস্বতীৰ *মহাভাৰত*ৰ কথাবস্তুৰ লগত সম্পৰ্কযুক্ত সুকীয়া কাব্য

**অধ্যায় ৯ ঃ শংকৰী যুগৰ অন্যান্য সাহিত্যিকসকল**

শঙ্কৰী যুগৰ অন্যান্য সাহিত্যিকসকল ঃ সাৰ্বভৌম ভট্টাচাৰ্য, কংসাৰি কায়স্থ, শ্ৰীধৰ কন্দলি, ৰত্নাকৰ কন্দলি, ৰত্নাকৰ মিশ্ৰ, নাৰায়ণ দাস ঠাকুৰ আতা, চান্দসাই, দামোদৰ দেৱ, হৰিদেৱ

**অধ্যায় ১০ ঃ অসমীয়া পাঁচালী সাহিত্য**

পাচালী সাহিত্য; পাঁচালী কবিসকলঃ দুৰ্গাবৰ কায়স্থ, পীতাম্বৰ দ্বিজ, মনকৰ, সুকবি নাৰায়ণদেৱ, ষষ্ঠীবৰ

**অধ্যায় ১১ ঃ শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ সাধাৰণ পৰিচয়**

শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ সাধাৰণ পৰিচয়; শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য; শঙ্কৰোত্তৰ যুগৰ সাহিত্যিকসকল ঃ ভট্টদেৱ, ৰামচৰণ ঠাকুৰ, গোপাল আতা, অনিৰুদ্ধদেৱ, পুৰুযোত্তম ঠাকুৰ, বৰযদুমণিদেৱ, শ্ৰীৰাম আতা, ভাগৱত মিশ্ৰ, গোবিন্দ মিশ্ৰ, ভাগৱতাচাৰ্য, গোপাল মিশ্ৰ

**অধ্যায় ১২ ঃ চৰিত সাহিত্য**

চৰিত সাহিত্য — সাধাৰণ পৰিচয় ঃ অসমীয়া চৰিত সাহিত্যৰ উদ্ভৱ, অসমীয়া চৰিত পুথিৰ বৈশিষ্ট্য, অসমীয়া চৰিত পুথিৰ লেখকসকল

**অধ্যায় ১৩ ঃ বুৰঞ্জী আৰু ব্যৱহাৰিক সাহিত্য**

বুৰঞ্জী সাহিত্য — সাধাৰণ পৰিচয় ঃ অসমীয়া বুৰঞ্জী সাহিত্যৰ উদ্ভৱ, অসমীয়া বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্য, কেইখনমান অসমীয়া বুৰঞ্জী — *অসম বুৰঞ্জী (১)* ঃ সুকুমাৰ মহন্তৰ ঘৰৰ পৰা উদ্ধাৰকৃত বুৰঞ্জী, *অসম বুৰঞ্জী (২)* ঃ আহোম ৰজা জয়ধ্বজ সিংহৰ দিনৰ পৰা গদাধৰ সিংহৰ দিনলৈ থকা বিৱৰণ, বুৰঞ্জী সাহিত্যৰ পোহৰত প্ৰতিভাত সমসাময়িক অসমীয়া সমাজ জীৱন; ব্যৱহাৰিক সাহিত্য

**অধ্যায় ১৪ ঃ শংকৰোত্তৰ যুগৰ অন্যান্য সাহিত্য কৃতি**

শঙ্কৰোত্তৰ যুগৰ অন্যান্য সাহিত্য কৃতি ঃ নাট্য সাহিত্য, ৰামায়ণী সাহিত্য, মহাভাৰতীয় সাহিত্য, পুৰাণ সাহিত্য, তান্ত্ৰিক আৰু শক্তি সাহিত্য, ছুফী সাহিত্য

## দ্বিতীয় পাঠ্যবিষয় ঃ অসমীয়া কবিতা

মুঠ ক্ৰেডিট ঃ = ৪

মুঠ নম্বৰ ঃ **৮০+২০ = ১০০**

**অধ্যায় ১ ঃ অসমীয়া লোকগীত**

লোকগীত; অ' চেংৰা মৈছেৰ দাফাদাৰ ভাই ঃ গোৱালপৰীয়া লোকগীত, গীতটিৰ মূল পাঠ, গীতটিৰ সাধাৰণ আলোচনা; মোৰ বাছা দূৰকে নাযাইবা এ ঃ কামৰূপী লোকগীত, গীতটিৰ মূলপাঠ, গীতটিৰ সাধাৰণ আলোচনা; জীৱৰ সাৰথি নাম ঃ কবি পৰিচয়, জিকিৰৰ সাধাৰণ পৰিচয়, জিকিৰটোৰ মূল পাঠ, জিকিৰটোৰ সাধাৰণ আলোচনা; কিমতে এৰাইবো মায়াহে গোপাল/কিমতে এৰাইবো মায়া ঃ দেহ বিচাৰৰ গীত, গীতটিৰ মূল পাঠ, গীতটিৰ গূঢ়াৰ্থ

**অধ্যায় ২ ঃ চৰ্যাপদ**

চৰ্যাপদৰ আঁতিগুৰিঃ চৰ্যাপদৰ বিষয়বস্তু আৰু দৰ্শন, চৰ্যাপদ আৰু অসমীয়া ভাষা, চৰ্যাপদৰ লগত দেহবিচাৰৰ গীত আৰু বৰগীতৰ সাদৃশ্য, চৰ্যাপদত প্ৰতিফলিত হোৱা তৎকালীন সমাজৰ চিত্ৰ, চৰ্যাপদৰ কাব্যিক সৌন্দৰ্য; চৰ্যা নং ১ ৰ মূল পাঠ, শব্দাৰ্থ আৰু ভাবাৰ্থ; চৰ্যা নং ৮ ৰ মূল পাঠ, শব্দাৰ্থ আৰু ভাবাৰ্থ; চৰ্যা নং ১০ ৰ মূল পাঠ, শব্দাৰ্থ আৰু ভাবাৰ্থ

**অধ্যায় ৩ ঃ মাধৱ কন্দলিৰ *ৰামায়ণ*ৰ 'ৰাৱণৰ অহংকাৰ'**

মাধৱ কন্দলিৰ পৰিচয় ঃ কন্দলিৰ সাহিত্য-কৃতি; ৰাৱণৰ অহঙ্কাৰ কাব্যাংশ আৰু ৰাৱণ চৰিত্ৰ ঃ মূল পাঠ, পাঠৰ কথাবস্তুৰ পৰিচয়, মাধৱ কন্দলিৰ অনুবাদ-ৰীতি, মাধৱ কন্দলিৰ *ৰামায়ণ*ৰ বৈশিষ্ট্য; ৰাৱণ চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণ

**অধ্যায় ৪ ঃ বৰগীত**

বৰগীতৰ সাধাৰণ পৰিচয়; নাৰায়ণ কাহে ভকতি কৰো তেৰা ঃ কবি পৰিচয়, মূল পাঠ আৰু শব্দাৰ্থ

নিৰূপণ, বিষয়বস্তুৰ সাধাৰণ আভাস, আধ্যাত্মিক ভাবৰ প্ৰকাশ; আলো মঞিও কি কহবো দুখ ঃ কবি পৰিচয়, মূল পাঠ আৰু শব্দাৰ্থ নিৰূপণ, বিষয়বস্তুৰ আভাস, গীতটিৰ বিশ্লেষণ, কাব্যিক সৌন্দৰ্য

**অধ্যায় ৫ ঃ চন্দ্ৰকুমাৰ আগৰৱালা ঃ বীণ-বৰাগী**

ৰমন্যাসবাদ আৰু ৰমন্যাসবাদী কবিতাৰ বৈশিষ্ট্য; অসমীয়া ৰমন্যাসবাদী কবিতাৰ সাধাৰণ আলোচনা; বীণ-বৰাগী ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু; কবি হিচাপে চন্দ্ৰকুমাৰ আগৰৱালাৰ মূল্যায়ন

**অধ্যায় ৬ ঃ হেমচন্দ্ৰ গোস্বামী ঃ প্ৰিয়তমাৰ চিঠি**

ইংৰাজী সাহিত্যৰ ছনেট কবিতা; অসমীয়া ছনেট বা চতুৰ্দশপদী কবিতা; প্ৰিয়তমাৰ চিঠি ঃ কবি পৰিচয়, হেমচন্দ্ৰ গোস্বামীৰ কবিতা, কবিতাটিৰ সাধাৰণ আলোচনা, কবিতাটিত ৰমন্যাসিক চিন্তাৰ প্ৰতিফলন

**অধ্যায় ৭ ঃ যতীন্দ্ৰনাথ দুৱৰা ঃ শেহত দুয়োটি একতে লীন**

কথা-কবিতা ঃ সাধাৰণ পৰিচয়; শেযত দুয়োটি একতে লীন ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবিতা আৰু দৰ্শনৰ সম্পৰ্ক; কবি হিচাপে যতীন্দ্ৰনাথ দুৱৰাৰ মূল্যায়ন

**অধ্যায় ৮ ঃ নলিনীবালা দেৱী ঃ নাটঘৰ**

ৰহস্যবাদ ঃ সাধাৰণ পৰিচয়; নাটঘৰ ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবিতাটিত প্ৰতিফলিত হোৱা ৰহস্যবাদী চেতনা; অসমীয়া কবিতাত ৰহস্যবাদ আৰু নলিনীবালা দেৱী; কবি হিচাপে নলিনীবালা দেৱীৰ মূল্যায়ন

**অধ্যায় ৯ ঃ দেৱকান্ত বৰুৱা ঃ কলং পাৰত মাজনিশা**

যুগসন্ধি স্তৰৰ অসমীয়া কবিতা ঃ সাধাৰণ আলোচনা; কলঙপাৰত মাজনিশা ঃ কবি পৰিচয়, কবিতাটোৰ মূলপাঠ, কবিতাটোৰ বিষয়বস্তু, কবিতাটিত প্ৰতিফলিত যুগসন্ধিৰ চিন্তা; কবি হিচাপে দেৱকান্ত বৰুৱাৰ মূল্যায়ন

**অধ্যায় ১০ ঃ হেম বৰুৱা ঃ পোহৰতকৈ এন্ধাৰ ভাল**

আধুনিক কবিতা আৰু আধুনিক কবিতাৰ বৈশিষ্ট্য; অসমীয়া আধুনিক কবিতাৰ সাধাৰণ আলোচনা; পোহৰতকৈ এন্ধাৰ ভাল ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবিতাটিত হোৱা আধুনিক চিন্তাৰ প্ৰতিফলন, কবি হিচাপে হেম বৰুৱাৰ মূল্যায়ন

**অধ্যায় ১১ ঃ অমূল্য বৰুৱা ঃ বেশ্যা**

বেশ্যা ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবি হিচাপে অমূল্য বৰুৱাৰ মূল্যায়ন

**অধ্যায় ১২ ঃ নৱকান্ত বৰুৱা ঃ বোধিদ্ৰুমৰ খৰি**

আধুনিক অসমীয়া কবিতা আৰু নৱকান্ত বৰুৱা; বোধিদ্ৰুমৰ খৰি ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবি হিচাপে নৱকান্ত বৰুৱাৰ মূল্যায়ন

**অধ্যায় ১৩ ঃ নীলমণি ফুকন ঃ গৌৰীনাথ আহিব**

নীলমণি ফুকন আৰু তেওঁৰ কাব্য চিন্তা; গৌৰীনাথ আহিব ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবিতাটিত আধুনিক চিন্তাৰ প্ৰতিফলন, আধুনিক কবি হিচাপে নীলমণি ফুকনৰ মূল্যায়ন

**অধ্যায় ১৪ ঃ হীৰেণ ভট্টাচাৰ্য ঃ লখিমী**

লখিমী ঃ কবি পৰিচয়, কবিতাটিৰ মূল পাঠ, কবিতাটিৰ বিষয়বস্তু, কবিতাটিৰ সাধাৰণ আলোচনা, কবি হিচাপে হীৰেণ ভট্টাচাৰ্যৰ মূল্যায়ন

## তৃতীয় পাঠ্যবিষয় ঃ অসমীয়া নাটক

মুঠ ক্ৰেডিট ঃ = ৪

মুঠ নম্বৰ ঃ **৮০+২০ = ১০০**

**অধ্যায় ১ ঃ অংকীয়া নাটৰ সাধাৰণ পৰিচয়**

অঙ্কীয়া নাটৰ 'অঙ্কীয়া নাট' শব্দ দুটাৰ তাৎপৰ্য, অঙ্কীয়া নাটৰ উৎপত্তি, অঙ্কীয়া নাট ৰচনাৰ কলা-কৌশল, অঙ্কীয়া নাটৰ বৈশিষ্ট্য, ভাৰতৰ অন্যান্য নাট্য পৰম্পৰাৰ লগত অঙ্কীয়া নাটৰ তুলনা, শঙ্কৰোত্তৰ যুগৰ অঙ্কীয়া নাট

**অধ্যায় ২ ঃ শংকৰদেৱ ঃ *ৰুক্মিণী হৰণ***

নাট্যকাৰৰ পৰিচয়; *ৰুক্মিণী হৰণ নাট* ঃ নাটখনিৰ মূল, নাটখনিৰ বিষয়বস্তু, নাটখনিৰ চৰিত্ৰ সৃষ্টি, নাটখনিৰ ৰস বিচাৰ

**অধ্যায় ৩ ঃ মাধৱদেৱ ঃ *অৰ্জুন ভঞ্জন***

নাট্যকাৰৰ পৰিচয়; *অৰ্জুন ভঞ্জন নাট* ঃ নাটখনিৰ মূল, নাটখনিৰ বিষয়বস্তু, নাটখনিৰ চৰিত্ৰ সৃষ্টি, নাটখনিৰ ৰস বিচাৰ

**অধ্যায় ৪ ঃ শংকৰোত্তৰ যুগৰ নাট**

শঙ্কৰোত্তৰ যুগৰ নাটৰ সাধাৰণ পৰিচয়; শঙ্কৰোত্তৰ যুগৰ নাটৰ বৈশিষ্ট্য; শঙ্কৰোত্তৰ যুগৰ নাট্যকাৰসকল আৰু তেওঁলোকৰ নাট্যকৃতি ঃ ভৱানীপুৰীয়া গোপাল আতা, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, দ্বিজ ভূষণ, যদুমণি দেৱ, ধৰ্মদেৱ ভট্ট, দ্বিজ মহীন্দ্ৰ

**অধ্যায় ৫ ঃ দৈতাৰী ঠাকুৰ ঃ *নৃসিংহ যাত্ৰা***

নাট্যকাৰৰ পৰিচয় আৰু নাট্য কৃতি; নৃসিংহ যাত্ৰা ঃ নাটখনিৰ মূল, নাটখনিৰ বিষয়বস্তু, নাটখনিৰ চৰিত্ৰ সৃষ্টি, নাটখনিৰ ৰস বিচাৰ

**অধ্যায় ৬ ঃ আধুনিক অসমীয়া নাটকৰ চমু ইতিহাস**

আধুনিক অসমীয়া নাটকৰ পশ্চাদপট; আধুনিক অসমীয়া নাটকৰ চমু ইতিহাস ঃ পৌৰাণিক নাটক, ঐতিহাসিক নাটক, সামাজিক নাটক

**অধ্যায় ৭ ঃ গুণাভিৰাম বৰুৱা ঃ *ৰাম নৱমী নাটক***

গুণাভিৰাম বৰুৱাৰ জীৱন আৰু কৃতি; *ৰাম-নৱমী নাটক ঃ* নাটকখনৰ সাধাৰণ আলোচনা, নাটকখনৰ কাহিনীভাগ, নাটকখনৰ চৰিত্ৰসৃষ্টি, নাটকখনৰ সংলাপ, নাটকখনত সংস্কৃত আৰু অঙ্কীয়া নাটৰ প্ৰভাৱ, নাটকখনৰ দোষ-ত্ৰুটি

**অধ্যায় ৮ ঃ অতুলচন্দ্ৰ হাজৰিকা ঃ *নৰকাসুৰ***

অতুলচন্দ্ৰ হাজৰিকাৰ জীৱন আৰু কৃতি; অতুলচন্দ্ৰ হাজৰিকাৰ নাটকৰ সাধাৰণ বৈশিষ্ট্যসমূহ; *নৰকাসুৰ ঃ* নাটকখনৰ কাহিনীভাগ আৰু সাধাৰণ আলোচনা, নাটকখনৰ চৰিত্ৰ সৃষ্টি; নাটকখনৰ সংলাপ, পৌৰাণিক নাটক হিচাপে *নৰকাসুৰ*

**অধ্যায় ৯ ঃ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক ঃ সাধাৰণ আলোচনা**

জ্যোতিপ্ৰসাদ আগৰৱালা ঃ জীৱন আৰু কৃতি; জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক ঃ সাধাৰণ পৰিচয় ঃ নাটকসমূহৰ বিষয়বস্তু, জ্যোতিপ্ৰসাদৰ নাটকৰ সাধাৰণ বৈশিষ্ট্যসমূহ

**অধ্যায় ১০ ঃ জ্যোতিপ্ৰসাদ আগৰৱালা ঃ *ৰূপালীম***

ৰূপালীম ঃ নাটকখনৰ কাহিনী, নাটকখনৰ চৰিত্ৰ সৃষ্টি, নাটকখনৰ সংলাপ

**অধ্যায় ১১ ঃ নাটকৰ অৰ্বাচীন ধাৰা**

মহাকাব্যিক নাটক, এবছাৰ্ড নাটক, লোককলাধৰ্মী নাটক, উত্তৰ-আধুনিক নাটক

**অধ্যায় ১২ ঃ অৰুণ শৰ্মা ঃ *আহাৰ***

অৰুণ শৰ্মা ঃ জীৱন আৰু কৃতি, নাটকৰ প্ৰধান বৈশিষ্ট্যসমূহ; *আহাৰ* নাটকৰ সাধাৰণ আলোচনা

**অধ্যায় ১৩ ঃ সতীশ ভট্টাচাৰ্য ঃ *মহাৰাজা***

সতীশ ভট্টাচাৰ্যৰ জীৱন আৰু সাহিত্য কৰ্ম; *মহাৰাজা ঃ* নাটকখনৰ সাধাৰণ আলোচনা, নাটকখনৰ চৰিত্ৰ বিশ্লেষণ, নাটকখনৰ গাঁথনি আৰু সংলাপ

**অধ্যায় ১৪ ঃ ভবেন্দ্ৰ নাথ শইকীয়া ঃ *এজাক জোনাকীৰ জিলমিল***

ভবেন্দ্ৰ নাথ শইকীয়া — জীৱন আৰু কৃতি; নাটকখনৰ কাহিনীভাগ; নাটকখনৰ সাধাৰণ আলোচনা, নাটকখনৰ সংলাপ আৰু চৰিত্ৰ সৃষ্টি

## চতুৰ্থ পাঠ্যবিষয় ঃ অসমীয়া সংস্কৃতি

মুঠ ক্ৰেডিট ঃ = ৪

মুঠ নম্বৰ ঃ **৮০+২০ = ১০০**

**অধ্যায় ১ ঃ সংস্কৃতিৰ সংজ্ঞা আৰু স্বৰূপ বিচাৰ**

সংস্কৃতিৰ সংজ্ঞা; সমাজ আৰু সংস্কৃতি; সংস্কৃতি আৰু পৰিৱেশ; সংস্কৃতিৰ স্বৰূপ আৰু উপাদান ঃ সংস্কৃতিৰ স্বৰূপ, সংস্কৃতিৰ উপাদান, সংস্কৃতিৰ বৈশিষ্ট্য, সংস্কৃতিৰ ভাগ

**অধ্যায় ২ ঃ অসমীয়া লোকসংস্কৃতিৰ সাধাৰণ আভাস**

লোকসংস্কৃতিৰ সংজ্ঞা; লোকসংস্কৃতিৰ বৈশিষ্ট্য; লোকসংস্কৃতিৰ শ্ৰেণী বিভাজন ঃ মৌখিক সাহিত্য বা বাচিক কলা, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা

**অধ্যায় ৩ ঃ অসমীয়া লোকসংস্কৃতিৰ শ্ৰেণীবিভাজন**

অসমৰ লোকসংস্কৃতিৰ চমু পৰিচয়; অসমীয়া লোকসংস্কৃতিৰ শ্ৰেণী বিভাজন ঃ মৌখিক সাহিত্য বা বাচিক কলা, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা

**অধ্যায় ৪ ঃ বৰ অসম ঃ সমন্বয় আৰু সমাহৰণ**

অসম নামৰ উৎপত্তি; অসমৰ ভৌগোলিক অৱস্থিতি; সমন্বয় আৰু সমাহৰণ ঃ অসমৰ জনগাঁথনি, ভাষা আৰু সাহিত্য, ধৰ্ম, উৎসৱ-পাৰ্বণ, সামাজিক লোকাচাৰ, খাদ্য, সাজপাৰ, অলঙ্কাৰ, সঙ্গীত, পৰিৱেশ্য কলা

**অধ্যায় ৫ ঃ অসমীয়া লোকসংস্কৃতিলৈ বিভিন্ন নৃগোষ্ঠীয় অৱদান**

অসমৰ নৃগোষ্ঠীসমূহ ঃ ভূমিকা, নৃগোষ্ঠীসমূহৰ প্ৰজাতিগত (Racial) পৰিচয়; অসমীয়া লোকসংস্কৃতিলৈ নৃগোষ্ঠীয় অৱদান ঃ মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি ঃ সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা, ভাষা-সাহিত্য আৰু অন্যান্য বিভিন্ন দিশত অৱদান

**অধ্যায় ৬ ঃ অসমীয়া সংস্কৃতিলৈ অষ্ট্ৰিকসকলৰ অৱদান**

অসমত বসবাস কৰা অষ্ট্ৰিকসকল; অসমীয়া লোকসংস্কৃতিলৈ অষ্ট্ৰিকসকলৰ অৱদান ঃ ভাষিক অৱদান, উৎসৱ-পাৰ্বণ, লোকবিশ্বাস, সামাজিক প্ৰথা, ভৌতিক সংস্কৃতি

**অধ্যায় ৭ ঃ অসমীয়া সংস্কৃতিলৈ তিব্বত-বৰ্মীয় ভাষীৰ অৱদান**

তিব্বত- বৰ্মীয় ভাষিক গোষ্ঠাসমূহৰ চমু পৰিচয়; অসমীয়া সংস্কৃতিলৈ তিব্বত বৰ্মীয়সকলৰ অৱদান ঃ মৌখিক সাহিত্য, ভৌতিক সাহিত্য, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা, ভাষা, সাহিত্য আৰু অন্যান্য দিশত অৱদান

**অধ্যায় ৮ ঃ অসমীয়া সংস্কৃতিলৈ টাইসকলৰ অৱদান**

টাই ভাষিক গোষ্ঠীৰ চমু পৰিচয়; অসমীয়া সংস্কৃতিলৈ টাইসকলৰ অৱদান ঃ ভাষা, সাহিত্য, ধৰ্ম, স্থাপত্য আৰু ভাস্কৰ্য, চিত্ৰকলা, বস্ত্ৰশিল্প, অলঙ্কাৰ আৰু অন্যান্য

**অধ্যায় ৯ ঃ অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান**

অসমীয়া সংস্কৃতি আৰু মুছলমানসকল ঃ মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা, ভাষা-সাহিত্য আৰু অন্যান্য দিশত অৱদান

**অধ্যায় ১০ ঃ অসমৰ প্ৰাচীন ধৰ্মীয় পৰম্পৰা**

ধৰ্ম আৰু সংস্কৃতি; অসমত বৈষ্ণৱ ধৰ্মৰ পৰস্পৰা; অসমত শৈৱধৰ্মৰ পৰম্পৰা; জনজাতীয় আৰু আহোম সমাজত শৈৱ ধৰ্ম; শিৱৰ সহস্ৰ নাম আৰু উপাসনা পদ্ধতি; অসমত শাক্তধৰ্মৰ পৰম্পৰা, দেৱীৰ বিভিন্ন ৰূপ

**অধ্যায় ১১ ঃ অসমৰ নৱবৈষ্ণৱ ধৰ্ম**

সৰ্বভাৰতীয় ভক্তি আন্দোলন; অসমৰ নৱবৈষ্ণৱ ধৰ্ম; নৱবৈষ্ণৱ ধৰ্মৰ পটভূমি, নৱবৈষ্ণৱ ধৰ্মৰ বৈশিষ্ট্যসমূহ; নৱবৈষ্ণৱ ধৰ্মৰ সীমাবদ্ধতা, নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱিত সাহিত্য কৰ্মৰ চমু পৰিচয়

**অধ্যায় ১২ ঃ সত্ৰীয়া সংস্কৃতি**

সত্ৰ ঃ সাধাৰণ পৰিচয়; সত্ৰৰ সংজ্ঞা, গঠন প্ৰণালী আৰু শ্ৰেণী বিভাজন; সত্ৰীয়া সঙ্গীত, নৃত্য আৰু অঙ্কীয়া নাট; সত্ৰীয়া চিত্ৰকলা; সত্ৰৰ ধৰ্মীয় আচাৰ

**অধ্যায় ১৩ ঃ অসমৰ স্থাপত্য-ভাস্কৰ্য আৰু পুথিচিত্ৰ**

অসমৰ স্থাপত্য-ভাস্কৰ্য ঃ প্ৰাক্-আহোম যুগৰ স্থাপত্য- ভাস্কৰ্য, আহোম যুগৰ স্থাপত্য-ভাস্কাৰ্য, অসমৰ পুথি চিত্ৰ

**অধ্যায় ১৪ ঃ বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি**

বিশ্বায়নৰ চমু পৰিচয়; বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি; গণমাধ্যমসমূহ, জনপ্ৰিয় সংস্কৃতি (Popular Culture), চাইবাৰ কাল্চাৰ, অন্যান্য ন-ধাৰাসমূহ

# দ্বিতীয় ষাণ্মাসিক

## প্ৰথম পাঠ্যবিষয় ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদয় যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ)

মুঠ ক্ৰেডিট ঃ = ৪

মুঠ নম্বৰ ঃ **৮০+২০ = ১০০**

**অধ্যায় ১ ঃ অৰুণোদয় যুগৰ অসমীয়া সাহিত্য — ১**

অৰুণোদয় যুগৰ ঐতিহাসিক পটভূমি; অৰুণোদয় যুগৰ সাহিত্যঃ প্ৰাক্-অৰুণোদয় স্তৰ (১৮২৬-১৮৪৬, অৰুণোদয় ঃ অসমীয়া ভাষাৰ পুনঃ প্ৰতিষ্ঠাৰ স্তৰ, আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ স্তৰ

**অধ্যায় ২ ঃ অৰুণোদয় যুগৰ অসমীয়া সাহিত্য — ২**

অৰুনোদই কাকত আৰু অসমীয়া সাহিত্য; অৰুনোদই কাকত প্ৰকাশৰ সময়ছোৱাৰ অসমীয়া সাহিত্যৰ চমু আভাস ঃ অৰুনোদই কাকতলৈ অৰিহণা যোগোৱা অনা-অসমীয়া লেখক-লেখিকাসকল, অৰুনোদই কাকতলৈ অৰিহণা যোগোৱা অসমীয়া লেখক-লেখিকাসকল

**অধ্যায় ৩ ঃ অৰুণোদয় যুগৰ অসমীয়া সাহিত্য — ৩**

অৰুণোদয় যুগৰ অসমীয়া সাহিত্য ঃ *আসাম বিলাসিনী, আসাম বিলাসিনী*ৰ বৈশিষ্ট্যসমূহ, *আসাম নিউজ, আসাম নিউজ*ৰ বৈশিষ্ট্যসমূহ, *মৌ, মৌ*ৰ বৈশিষ্ট্যসমূহ, *আসাম বন্ধু, আসাম বন্ধু*ৰ বৈশিষ্ট্যসমূহ, অন্যান্য কাকতসমূহ

**অধ্যায় ৪ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্য— ১**

জোনাকী যুগৰ পটভুমি; জোনাকী যুগৰ অসমীয়া সাহিত্য; জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বিবিধ ভাগ ঃ কবিতা, নাটক, উপন্যাস, চুটিগল্প, প্ৰবন্ধ আৰু সমালোচনা; জোনাকী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য

**অধ্যায় ৫ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্য— ২**

জোনাকী যুগৰ অসমীয়া সাহিত্য ঃ *উষা, উষা*ৰ বৈশিষ্ট্যসমূহ, *বাঁহী, বাঁহী*ৰ বৈশিষ্ট্যসমূহ

**অধ্যায় ৬ ঃ জোনাকী যুগৰ অসমীয়া সাহিত্য— ৩**

জোনাকী যুগৰ সাহিত্যিকসকল ঃ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা, বেণুধৰ ৰাজখোৱা, সত্যনাথ বৰা, কনকলাল বৰুৱা, ৰঘুনাথ চৌধাৰী, দুৰ্গেশ্বৰ শৰ্মা, ৰজনীকান্ত বৰদলৈ, হিতেশ্বৰ বৰবৰুৱা

**অধ্যায় ৭ ঃ আৱাহনৰ সাহিত্য**

আৱাহনৰ পটভূমি; আৱাহন আৰু অসমীয়া সাহিত্য; আৱাহন যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য তথা বিবিধ ধাৰা; আৱাহন যুগৰ সাহিত্যিকসকল

**অধ্যায় ৮ ঃ জয়ন্তী যুগৰ অসমীয়া সাহিত্য**

জয়ন্তী যুগৰ সাহিত্যৰ পটভূমি; জয়ন্তী আৰু অসমীয়া সাহিত্য; জয়ন্তী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য তথা বিবিধ ধাৰা; জয়ন্তী যুগৰ প্ৰধান সাহিত্যিকসকল

**অধ্যায় ৯ ঃ ৰামধেনু যুগৰ অসমীয়া সাহিত্য — ১**

ৰামধেনু যুগৰ পটভূমি; ৰামধেনু যুগৰ অসমীয়া সাহিত্য; ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ বিবিধ ধাৰাঃ প্ৰগতিবাদী বা সমাজবাদী ধাৰা, হাস্য-ব্যঙ্গৰ ধাৰা, আধুনিকতা আৰু বাস্তৱবাদী ধাৰা, মনঃস্তাত্বিক ধাৰা, ৰাজনৈতিক আৰু অৰ্থনৈতিক ধাৰা, অস্তিত্ববাদী ধাৰা আৰু চেতনাস্ৰোত পদ্ধতি

**অধ্যায় ১০ ঃ ৰামধেনু যুগৰ অসমীয়া সাহিত্য — ২**

ৰামধেনু যুগৰ সাহিত্যিকসকল

**অধ্যায় ১১ ঃ সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্য ঃ প্ৰথম পৰ্ব — ১** (১৯৭০-৯০)

সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যৰ পটভূমি; সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰা; সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যসমূহ

**অধ্যায় ১২ ঃ সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্য ঃ প্ৰথম পৰ্ব — ২** (১৯৭০-৯০)

সাম্প্ৰতিক যুগৰ (১৯৭০-১৯৯০) সাহিত্যিকসকল

**অধ্যায় ১৩ ঃ সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্য ঃ দ্বিতীয় পৰ্ব** (১৯৯০-২০০০)

সাম্প্ৰতিক যুগৰ আসমীয়া সাহিত্য(১৯৯০-২০০০)ৰ পটভূমি; সাম্প্ৰতিক যুগৰ আসমীয়া সাহিত্য (১৯৯০-২০০০)ৰ ধাৰা তথা বৈশিষ্ট্যসমূহ; সাম্প্ৰতিক যুগৰ আসমীয়া সাহিত্য(১৯৯০-২০০০)ৰ সাহিত্যিকসকল

**অধ্যায় ১৪ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকল**

অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলৰ চমু পৰিচয় ঃ দেবেন্দ্ৰনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, ডিম্বেশ্বৰ নেওগ, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মা, বিৰিঞ্চি কুমাৰ বৰুৱা, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ দ্বাৰা প্ৰকাশিত 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ সম্পাদকসকল; অসমীয়া সাহিত্যৰ যুগ বিভাজন; অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহঃ দেবেন্দ্ৰনাথ বেজবৰুৱাৰ অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী, হেমচন্দ্ৰ গোস্বামী সম্পাদিত অসমীয়া সাহিত্যৰ চানেকি, ডিম্বেশ্বৰ নেওগৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী সম্ভাৰ, মহেশ্বৰ নেওগৰ অসমীয়া সাহিত্যৰ ৰূপৰেখা, সত্যেন্দ্ৰনাথ শৰ্মাৰ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, বিৰিঞ্চি কুমাৰ বৰুৱাৰ History of Assame Literature, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ দ্বাৰা প্ৰকাশিত অসমীয়া সাহিত্যৰ বুৰঞ্জী

## দ্বিতীয় পাঠ্যবিষয় ঃ অসমীয়া গদ্য সাহিত্য

মুঠ ক্ৰেডিট ঃ = ৪

মুঠ নম্বৰ ঃ ৮০+২০ = ১০০

**অধ্যায় ১ ঃ অসমীয়া গদ্য সাহিত্যৰ প্ৰাৰম্ভিক স্বৰূপ**

গদ্য ঃ অৱধাৰণা; অসমীয়া গদ্য-সাহিত্যৰ প্ৰাৰম্ভিক স্বৰূপ ঃ অসমীয়া মন্ত্ৰ সাহিত্যৰ গদ্য, অঙ্কীয়া নাটৰ গদ্য

**অধ্যায় ২ ঃ কথা গীতা (প্ৰথম আৰু দ্বিতীয় অধ্যায়)**

ভট্টদেৱ ঃ জীৱন আৰু কৃতি ঃ ভট্টদেৱৰ গদ্য প্ৰতিভা; ভট্টদেৱৰ কথা গীতাঃ মূল পাঠৰ আভাস, কথা গীতাৰ গদ্যৰ চমু পৰিচয়, ব্যাকৰণগত বৈশিষ্ট্য, গদ্যৰ অন্যান্য বৈশিষ্ট্য, অনুবাদ ৰীতি, কঠিন শব্দৰ টোকা

**অধ্যায় ৩ ঃ গুৰু-চৰিত কথা (মহেশ্বৰ নেওগ সম্পাদিত, ১৬২ৰ পৰা ১৯০ নং দফালৈ)**

চৰিত পুথিৰ উদ্ভৱ আৰু বিকাশ; গুৰু-চৰিত-কথা (১৬২ৰ পৰা ১৯০ নং দফালৈ) ঃ পাঠটিৰ উৎস, মূল পাঠৰ আভাস, বিষয়বস্তুৰ পৰিচয়, নাৰায়ণ দাস ঠাকুৰ আতাৰ চাৰিত্ৰিক বৈশিষ্ট্য, গুৰু-চৰিত-কথাৰ গদ্যৰীতি, কঠিন শব্দৰ টোকা

**অধ্যায় ৪ ঃ সাতসৰী অসম বুৰঞ্জী (প্ৰথম আৰু দ্বিতীয় অধ্যায় বুৰঞ্জী)**

অসমীয়া বুৰঞ্জী সাহিত্য ঃ চমু পৰিচয়; সাতসৰী অসম বুৰঞ্জী ঃ চমু পৰিচয়; সাতসৰী অসম বুৰঞ্জীৰ বিশেষত্বসমূহ; সাতসৰী অসম বুৰঞ্জীৰ অন্তৰ্গত প্ৰথমখন বুৰঞ্জীঃ প্ৰথমখন বুৰঞ্জীৰ বিষয়বস্তু, প্ৰথমখন বুৰঞ্জীৰ গদ্যৰীতি, সমসাময়িক আহোম ৰাজনীতি আৰু অসমীয়া সমাজ প্ৰেক্ষাপটত বুৰঞ্জীখনৰ ভূমিকা; সাতসৰী অসম বুৰঞ্জীৰ অন্তৰ্গত দ্বিতীয়খন বুৰঞ্জী ঃ দ্বিতীয়খন বুৰঞ্জীৰ বিষয়বস্তু, দ্বিতীয়খন বুৰঞ্জীৰ গদ্যৰীতি, সমসাময়িক আহোম ৰাজনীতি আৰু অসমীয়া সমাজ প্ৰেক্ষাপটত বুৰঞ্জীখনৰ ভূমিকা; অসমীয়া বুৰঞ্জী সাহিত্যত সাতসৰী অসম বুৰঞ্জীৰ স্থান

**অধ্যায় ৫ ঃ আধুনিক অসমীয়া গদ্য সাহিত্যৰ উদ্ভৱ**

অৰুণোদয় যুগৰ গদ্য ঃ প্ৰাক্-অৰুণোদয় স্তৰৰ গদ্য, অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ স্তৰৰ গদ্য, আধুনিক অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ স্তৰৰ গদ্য

**অধ্যায় ৬ ঃ আনন্দৰাম ঢেকিয়াল ফুকন ঃ 'ইংগ্লণ্ডৰ বিবৰণ'**

আনন্দৰাম ঢেকিয়াল ফুকন ঃ জীৱন আৰু কৃতি ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনাৰাজি; 'ইংগ্লণ্ডৰ বিবৰণ' শীৰ্ষক মূল পাঠৰ বিষয়বস্তু; আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰীতিঃ 'ইংগ্লণ্ডৰ বিবৰণ' শীৰ্ষক পাঠটোৰ গদ্যৰীতি; আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ আখৰ জোঁটনি

**অধ্যায় ৭ ঃ লক্ষ্মীনাথ বেজবৰুৱা ঃ মোৰ জীৱন সোঁৱৰণ (প্ৰথম অধ্যায়)**

লক্ষ্মীনাথ বেজবৰুৱা ঃ জীৱন আৰু কৃতি; আত্মজীৱনীৰ স্বৰূপ ঃ মোৰ জীৱন সোঁৱৰণ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীত ইয়াৰ স্থান, মোৰ জীৱন সোঁৱৰণঃ সমাজ বাস্তৱতাৰ তথ্য, মোৰ জীৱন সোঁৱৰণ ঃ হাস্য-ব্যঙ্গ, বেজবৰুৱাৰ গদ্যৰীতি

**অধ্যায় ৮ ঃ সত্যনাথ বৰা ঃ 'জীৱনৰ অমিয়া'**

সত্যনাথ বৰা ঃ জীৱন আৰু ব্যক্তিত্ব, সত্যনাথ বৰাৰ সাহিত্য সম্ভাৰ, চিন্তা-কলি; মূল পাঠৰ বিষয়বস্তুঃ মানুহৰ শ্ৰেণী, কৰ্তব্যৰ মহত্ত্ব; সত্যনাথ বৰাৰ গদ্যৰীতি

**অধ্যায় ৯ ঃ বাণীকান্ত কাকতি ঃ 'কবিৰ অহৈতুকী প্ৰীতি'**

বাণীকান্ত কাকতি ঃ জীৱন আৰু কৃতি; বাণীকান্ত কাকতিৰ সাহিত্য সমালোচনা ঃ বাণীকান্ত কাকতিৰ সাহিত্য সমালোচনাৰ বৈশিষ্ট্য; সাহিত্য আৰু প্ৰেম ঃ চণ্ডীদাস আৰু প্ৰেম, ডাণ্টে আৰু প্ৰেম; বাণীকান্ত কাকতিৰ গদ্যৰীতি

**অধ্যায় ১০ ঃ কৃষ্ণকান্ত সন্দিকৈ ঃ 'গ্ৰীক নাটকৰ গান'**

কৃষ্ণকান্ত সন্দিকৈ ঃ জীৱন আৰু কৃতি ঃ কৃষ্ণকান্ত সন্দিকৈ সাহিত্য কৃতি; মূল পাঠৰ আলোচনা ঃ গ্ৰীক্ ট্ৰেজেডি আৰু গ্ৰীক্ নাটকৰ গান, গ্ৰীক্ শোকনাটকৰ গানৰ শ্ৰেণী বা প্ৰকাৰ, গ্ৰীক্ নাটকত ক'ৰাছৰ প্ৰাধান্য আৰু গুৰুত্ব, গ্ৰীক্ নাটকৰ গীতৰ বিভিন্ন দিশ, গ্ৰীক্ ট্ৰেজেডিৰ অনুকৰণ আৰু প্ৰভাৱ, গ্ৰীক্ নাটক আৰু প্ৰাচীন ভাৰতীয় সাহিত্য; কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰীতি

**অধ্যায় ১১ ঃ বেণুধৰ শৰ্মা ঃ 'মণিৰাম দেৱানৰ ফাঁচী'**

বেণুধৰ শৰ্মা ঃ জীৱন আৰু ব্যক্তিত্ব, বেণুধৰ শৰ্মাৰ সাহিত্য চৰ্চা, মণিৰাম দেৱান; মূল পাঠৰ বিষয়বস্তু ঃ অসমত স্বাধীনতাৰ ৰণ আৰু মণিৰামৰ ভূমিকা, বৃটিছে কৰা বিচাৰ, মণিৰামৰ প্ৰতিক্ৰিয়া, ফাঁচীৰ প্ৰস্তুতি আৰু সমাপন, মণিৰামৰ মৃত্যুৰ প্ৰভাৱ; বেণুধৰ শৰ্মাৰ গদ্যৰীতি

**অধ্যায় ১২ ঃ তীৰ্থনাথ শৰ্মা ঃ 'নাৰদৰ কৃষ্ণ দৰ্শন'**

তীৰ্থনাথ শৰ্মা ঃ জীৱন আৰু কৃতি; পঞ্চপুষ্প ঃ 'নাৰদৰ কৃষ্ণ দৰ্শন'ৰ তাৎপৰ্য, পুৰণি সাহিত্যত নাৰদ, তীৰ্থনাথ শৰ্মাৰ গদ্যৰীতি

**অধ্যায় ১৩ ঃ মহেশ্বৰ নেওগ ঃ 'মায়ামৰীয়াৰ বুকুৰ শোণিতেৰে বনকোৱা বুৰঞ্জীৰ পাত'**

মহেশ্বৰ নেওগ ঃ জীৱন আৰু ব্যক্তিত্ব, মহেশ্বৰ নেওগৰ সাহিত্য সম্ভাৰ; মূল পাঠৰ বিষয়বস্তু ঃ মায়ামৰীয়াসকলৰ পৰিচয়, নামকৰণৰ তাৎপৰ্য, মৰাণ আৰু মটক, আহোম শাসন আৰু মায়ামৰীয়া নিগ্ৰহ, মায়ামৰীয়া বিদ্ৰোহ, মায়ামৰীয়া বিদ্ৰোহৰ পৰৱৰ্তী সময়, মায়ামৰীয়া বিদ্ৰোহৰ পৰা পোৱা শিকনি; মহেশ্ব নেওগৰ গদ্যৰীতি

**অধ্যায় ১৪ ঃ হীৰেন গোঁহাই ঃ 'জ্যোতিপ্ৰসাদৰ কাৰেঙৰ লিগিৰী'**

হীৰেন গোঁহাই ঃ জীৱন আৰু ব্যক্তিত্ব ঃ হীৰেন গোহাঁইৰ সাহিত্যৰ সম্ভাৰ, সাহিত্যৰ সত্য, মূল পাঠৰ বিষয়বস্তু ঃ সাহিত্য আৰু আদৰ্শ, কাৰেঙৰ লিগিৰীত ৰোমাণ্টিক বিপ্লৱবাদ, কাৰেঙৰ লিগিৰীৰ প্ৰধান চৰিত্ৰসমূহ, কাৰেঙৰ লিগিৰীৰ অন্যান্য দিশ; হীৰেন গোঁহাইৰ গদ্যৰীতি

## তৃতীয় পাঠ্যবিষয় ঃ অসমীয়া উপন্যাস

মুঠ ক্ৰেডিট ঃ = ৪

মুঠ নম্বৰ ঃ ৮০+২০ = ১০০

**অধ্যায় ১ ঃ অসমীয়া উপন্যাসৰ ধাৰা — ১**

অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্ব, প্ৰাক্- স্বাধীনতা কালৰ অসমীয়া উপন্যাস

**অধ্যায় ২ ঃ অসমীয়া উপন্যাসৰ ধাৰা — ২**

স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাস

**অধ্যায় ৩ ঃ ৰজনীকান্ত বৰদলৈ ঃ *দন্দুৱা দ্ৰোহ* — ১**

ৰজনীকান্ত বৰদলৈ ঃ জীৱন আৰু কৃতি, ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

**অধ্যায় ৪ ঃ ৰজনীকান্ত বৰদলৈ ঃ *দন্দুৱা দ্ৰোহ* — ২**

*দন্দুৱা দ্ৰোহ* ঃ সাধাৰণ আলোচনা, উপন্যাসখনৰ কাহিনীভাগ, উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ, ঐতিহাসিক উপন্যাস হিচাপে দন্দুৱাদ্ৰোহ

**অধ্যায় ৫ ঃ বিৰিঞ্চি কুমাৰ বৰুৱা ঃ *জীৱনৰ বাটত* — ১**

বিৰিঞ্চি কুমাৰ বৰুৱা ঃ জীৱন আৰু কৃতি, বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

**অধ্যায় ৬ ঃ বিৰিঞ্চি কুমাৰ বৰুৱা ঃ *জীৱনৰ বাটত* — ২**

*জীৱনৰ বাটত* ঃ উপন্যাসখনৰ সাধাৰণ আলোচনা, উপন্যাসখনৰ কাহিনীভাগ, উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ; উপন্যাসখনত প্ৰতিফলিত হোৱা গাঁৱলীয়া সমাজ জীৱনৰ চিত্ৰ; উপন্যাসখনত

প্ৰতিফলিত হোৱা নগৰীয়া সমাজ জীৱনৰ চিত্ৰ

**অধ্যায় ৭ ঃ চৈয়দ আব্দুল মালিক ঃ *জীয়া জুৰিৰ ঘাট* — ১**

চৈয়দ আব্দুল মালিক ঃ জীৱন আৰু কৃতি, চৈয়দ আব্দুল মালিকৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অধ্যায় ৮ ঃ চৈয়দ আব্দুল মালিক ঃ *জীয়া জুৰিৰ ঘাট* — ২

*জীয়া জুৰিৰ ঘাট ঃ* উপন্যাসখনৰ সাধাৰণ আলোচনা, উপন্যাসখনৰ কাহিনীভাগ, উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ, উপন্যাসখনত প্ৰতিফলিত হোৱা মানবতাবাদ, উপন্যাসখনৰ সাহিত্যিক সৌন্দৰ্য

**অধ্যায় ৯ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ঃ *ৰাজপথে ৰিঙিয়ায়* — ১**

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ঃ জীৱন আৰু কৃতি, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

**অধ্যায় ১০ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ঃ *ৰাজপথে ৰিঙিয়ায়* — ২**

*ৰাজপথে ৰিঙিয়ায়* ঃ উপন্যাসখনৰ সাধাৰণ আলোচনা, উপন্যাসখনৰ কাহিনীভাগ, উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ,ৰাজনৈতিক উপন্যাস হিচাপে ৰাজপথে ৰিঙিয়ায়

**অধ্যায় ১১ ঃ হোমেন বৰগোহাঞি ঃ *মৎস্যগন্ধা* — ১**

প্ৰান্ত্য সমাজ আৰু হোমেন বৰগোহাঞি, হোমেন বৰগোহাঞি ঃ জীৱন আৰু কৃতি; হোমেন বৰগোহাঞিৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

**অধ্যায় ১২ ঃ হোমেন বৰগোহাঞি ঃ *মৎস্যগন্ধা* — ২**

*মৎস্যগন্ধা ঃ* উপন্যাসখনৰ সাধাৰণ আলোচনা, উপন্যাসখনৰ কাহিনীভাগ, উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

**অধ্যায় ১৩ ঃ মামণি ৰয়ছম গোস্বামী ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* — ১**

মামণি ৰয়ছম গোস্বামী ঃ জীৱন আৰু কৃতি, মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

**অধ্যায় ১৪ ঃ মামণি ৰয়ছম গোস্বামী ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* — ২**

*দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* ঃ উপন্যাসখনৰ সাধাৰণ আলোচনা, উপন্যাসখনৰ কাহিনীভাগ, উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ, উপন্যাসখনত প্ৰতিফলিত নাৰী কেন্দ্ৰিক চিন্তা, উপন্যাসখনত প্ৰয়োগ হোৱা ভাষা, আঞ্চলিক উপন্যাস হিচাপে দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা

## চতুৰ্থ পাঠ্যবিষয় ঃ অসমীয়া চুটিগল্প

মুঠ ক্ৰেডিট ঃ = ৪

মুঠ নম্বৰ ঃ ৮০+২০ = ১০০

**অধ্যায় ১ ঃ জোনাকী যুগৰ চুটিগল্পৰ ধাৰা**

অসমীয়া চুটিগল্পৰ আৰম্ভণি; অসমীয়া চুটিগল্প আৰু জোনাকী যুগ; জোনাকী যুগৰ চুটিগল্পৰ ধাৰা ঃ বেজবৰুৱা আৰু অসমীয়া চুটিগল্প, শৰৎ চন্দ্ৰ গোস্বামীৰ চুটিগল্প, অন্যান্য গল্পকাৰৰ চুটিগল্প

**অধ্যায় ২ ঃ আৱাহন যুগৰ চুটিগল্পৰ ধাৰা**

আৱাহন যুগৰ পটভূমি আৰু অসমীয়া চুটিগল্প; আৱাহন যুগৰ চুটিগল্প; আৱাহন যুগৰ চুটিগল্পৰ ধাৰাঃ উদাৰনৈতিক মানৱতাবাদী দৃষ্টিভঙ্গী, সমাজ চেতনা আৰু দায়বদ্ধতা, নাৰী মুক্তি তথা নাৰীৰ সামাজিক অৱস্থা সম্পৰ্কে সচেতনতা, সামাজিক অসমতা আৰু কুসংস্কাৰৰ প্ৰতি দৃষ্টিভঙ্গী, ভাৰতৰ স্বাধীনতা আন্দোলন আৰু জাতীয় চেতনাৰ প্ৰকাশ, ৰোমাণ্টিক ভাব-আদৰ্শৰ বহল প্ৰতিফলন, প্ৰগতিশীল চিন্তা, পশ্চিমীয়া আদৰ্শ আৰু দৰ্শনৰ প্ৰভাৱ

**অধ্যায় ৩ ঃ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা**

ৰামধেনু যুগৰ পটভূমি আৰু অসমীয়া চুটিগল্প; ৰামধেনু যুগৰ চুটিগল্প; ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা ঃ সামাজিক চেতনা আৰু দায়বদ্ধতা, ঐতিহ্য প্ৰীতি আৰু প্ৰাচীন পৰম্পৰাৰ নামত শোষণ, ৰোমাণ্টিকতাৰ

বিপৰীতে মানৱীয় চেতনা বা মনঃস্তত্ত্বৰ প্ৰয়োগ, ৰামধেনুৰ চুটিগল্পত পাশ্চাত্য মত- আদৰ্শৰ প্ৰয়োগ, ৰামধেনুৰ চুটিগল্পত ব্যঙ্গৰ প্ৰয়োগ, ৰামধেনুৰ চুটিগল্পত প্ৰগতিবাদী চিন্তাৰ প্ৰকাশ

**অধ্যায় ৪ ঃ উত্তৰ-ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰা**

উত্তৰ ৰামধেনু যুগৰ পটভূমি আৰু অসমীয়া চুটিগল্প; উত্তৰ ৰামধেনু যুগৰ চুটিগল্প; উত্তৰ ৰামধেনু যুগৰ চুটিগল্পৰ ধাৰাঃ সমাজবাদী চিন্তা বা মাৰ্ক্সীয় চেতনাৰ প্ৰয়োগ, মনোঃবিশ্লেষণ বা চেতনাস্ৰোত পদ্ধতিৰ প্ৰকাশ, ঐতিহ্য-সংস্কৃতি ৰক্ষাৰ প্ৰৱণতা, এবছাৰ্ড দৰ্শনৰ প্ৰয়োগ

**অধ্যায় ৫ ঃ লক্ষ্মীনাথ বেজবৰুৱা ঃ 'মুক্তি'**

লক্ষ্মীনাথ বেজবৰুৱাঃ জীৱন আৰু কৃতি ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ; 'মুক্তি'ঃ গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্ৰসমূহ, গল্পটোৰ বিশেষত্ব

**অধ্যায় ৬ ঃ শৰৎচন্দ্ৰ গোস্বামী ঃ 'ঘুনুচা'**

শৰৎ চন্দ্ৰ গোস্বামীঃ জীৱন আৰু কৃতি ঃ শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ; 'ঘুনুচা' ঃ গল্পটোৰ মূল পাঠ, গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্ৰসমূহ, গল্পটোৰ সাধাৰণ আলোচনা, চুটিগল্প হিচাপে ঘুনুচা

**অধ্যায় ৭ ঃ নগেন্দ্ৰ নাৰায়ণ চৌধুৰী ঃ'টুনী'**

নগেন্দ্ৰ নাৰায়ণ চৌধুৰীঃ জীৱন আৰু কৃতি ঃ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ; 'টুনী' ঃ গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্ৰসমূহ, গল্পটোৰ বিশেষত্ব

**অধ্যায় ৮ ঃ লক্ষ্মীনাথ ফুকন ঃ 'মহিমাময়ী'**

লক্ষ্মীনাথ ফুকনঃ জীৱন আৰু কৃতি ঃ লক্ষ্মীনাথ ফুকনৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ; 'মহিমাময়ী'ঃ গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্ৰসমূহ, গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ বিশেষত্ব

**অধ্যায় ৯ ঃ ৰমা দাশ ঃ 'অবুজ মায়া'**

ৰমা দাশঃ জীৱন আৰু কৃতিঃ ৰমা দাশৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ; 'অবুজ মায়া'ঃ গল্পটোৰ মূল পাঠ, গল্পটোৰ চৰিত্ৰসমূহ, গল্পটোৰ সাধাৰণ আলোচনা, চুটিগল্প হিচাপে 'অবুজ মায়া'

**অধ্যায় ১০ ঃ ভবেন্দ্ৰ নাথ শইকীয়া ঃ 'সেন্দুৰ'**

ভৱেন্দ্ৰনাথ শইকীয়া ঃ জীৱন আৰু কৃতিঃ ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ; 'সেন্দুৰ'ঃ গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ কাহিনীভাগ, গল্পটোত প্ৰতিভাত হোৱা চৰিত্ৰসমূহ, গল্পটোৰ বিশেষত্ব

**অধ্যায় ১১ ঃ নিৰুপমা বৰগোহাঞি ঃ 'ঢেঁকীৰ সৰগ'**

নিৰুপমা বৰগোহাঞি ঃ জীৱন আৰু কৃতিঃ নিৰুপমা বৰগোহাঞিৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ; 'ঢেঁকীৰ সৰগ' ঃ গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্ৰ চিত্ৰণ, গল্পটোৰ বিশেষত্ব

**অধ্যায় ১২ ঃ শীলভদ্ৰ ঃ 'সংগ্ৰাম'**

শীলভদ্ৰঃ জীৱন আৰু কৃতি ঃ শীলভদ্ৰৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ; 'সংগ্ৰাম'ঃ গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্ৰসমূহ, গল্পটোৰ বিশেষত্ব

**অধ্যায় ১৩ ঃ সৌৰভ কুমাৰ চলিহা ঃ 'বীণা- কুটিৰ'**

সৌৰভ কুমাৰ চলিহাঃ জীৱন আৰু কৃতিঃ সৌৰভ কুমাৰ চলিহাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ; 'বীণা-কুটিৰ' ঃ গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্ৰ চিত্ৰণ, গল্প কওঁতাৰ মনৰ সম্ভেদ, গল্পটোৰ বিশেষত্ব

**অধ্যায় ১৪ ঃ হৰেকৃষ্ণ ডেকা ঃ 'শ্বৰেঙ্গাৰ'**

হৰেকৃষ্ণ ডেকা ঃ জীৱন আৰু কৃতি ঃ হৰেকৃষ্ণ ডেকাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ; 'শ্বৰেঙ্গাৰ' ঃ গল্পটোৰ কাহিনীভাগ, গল্পটোৰ চৰিত্ৰসমূহ, গল্পটোৰ সাধাৰণ আলোচনা, গল্পটোৰ বিশেষত্ব

# তৃতীয় যাণ্মাসিক

## প্ৰথম পাঠ্যবিষয় ঃ সাহিত্য সমালোচনা

মুঠ ক্ৰেডিট ঃ = ৪

মুঠ নম্বৰ ঃ ৮০+২০ = ১০০

**অধ্যায় ১ ঃ ৰস**

ৰসৰ স্বৰূপ ঃ ৰসৰ লক্ষণ; ভৰতৰ ৰাস সূত্ৰ, বিভাব, অনুভাব, ব্যাভিচাৰী ভাবৰ ধাৰণা, ৰসসূত্ৰৰ আধাৰত আগবঢ়োৱা গুৰুত্বপূৰ্ণ মতবাদসমূহ, ৰসৰ প্ৰকাৰভেদ, ভাব, ৰসাভাস আদিৰ ধাৰণা

**অধ্যায় ২ ঃ ধ্বনিবাদ**

ধ্বনি ঃ ভাৰতীয় অলংকাৰশাস্ত্ৰ আৰু ধ্বনি, আনন্দবৰ্ধন, অভিনৱগুপ্ত আৰু ধ্বনিবাদ, ধ্বনিৰ স্বৰূপ, ধ্বনিৰ বিপক্ষে থকা মতবাদসমূহ, ধ্বনিৰ প্ৰকাৰভেদ

**অধ্যায় ৩ ঃ বক্ৰোক্তিবাদ**

বক্ৰোক্তিবাদ ঃ ভাৰতীয় অলংকাৰশাস্ত্ৰ আৰু বক্ৰোক্তিবাদ, বক্ৰোক্তিৰ স্বৰূপ, বক্ৰোক্তিৰ প্ৰকাৰভেদ, বক্ৰোক্তিৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিসমূহ, কাব্যৰ বিভিন্ন উপাদানৰ বিষয়ে দিয়া বক্ৰোক্তি জীৱিতকাৰৰ অভিমত, বক্ৰোক্তি জীৱিতম্- গ্ৰন্থ পৰিচয়

**অধ্যায় ৪ ঃ গুণবাদ আৰু ৰীতিবাদ**

গুণ আৰু ৰীতিৰ ধাৰণা, ভাৰতীয় অলংকাৰশাস্ত্ৰত গুণ আৰু ৰীতিৰ স্থান, গুণৰ বৈশিষ্ট্যপূৰ্ণ দিশসমূহ, ৰীতিৰ বিশিষ্ট লক্ষণসমূহ

**অধ্যায় ৫ ঃ ভক্তিবাদ**

মধ্যযুগৰ আলংকাৰিকসকল; ভক্তিবাদ ঃ সাধাৰণ পৰিচয়, সাহিত্য আৰু ভক্তিবাদ, মধ্যযুগীয় আলংকাৰিকসকলৰ বিশিষ্ট কৃতিসমূহৰ আলোচনা

**অধ্যায় ৬ ঃ দেশীবাদ**

দেশীবাদ ঃ সাধাৰণ পৰিচয়, দেশীবাদৰ উৎপত্তিৰ লগত জড়িত মতসমূহ, দেশীবাদ আৰু ভাৰতীয় সাহিত্য

**অধ্যায় ৭ ঃ কৱিতা**

কবিতা ঃ প্ৰাচ্য আলোচকৰ দৃষ্টিত কবিতা, পাশ্চাত্য আলোচকৰ দৃষ্টিত কবিতা; কবিতাৰ ভাষা; কবিতাৰ সাৰবস্তু ঃ কল্পনা আৰু অনুভূতি, অলংকাৰ, ৰস, ধ্বনি, চিত্ৰকল্প, প্ৰতীক, ছন্দ ঃ ছন্দৰ প্ৰয়োজনীয়তা, কবিতাৰ উদ্দেশ্য আৰু লক্ষ্য; কবিতাৰ বিভাগঃ ব্যক্তিনিষ্ঠ বা গীতি কবিতা, বস্তুনিষ্ঠ বা বৰ্ণনামূলক কবিতা

**অধ্যায় ৮ ঃ নাটক**

শিল্পকলা ৰূপে নাটক; নাটকৰ সংজ্ঞা; নাটকৰ উপাদানঃ কাহিনী, চৰিত্ৰ, সংলাপ; নাটকৰ ৰূপ-বৈচিত্ৰ্য; কেইটিমান বিশেষ নাট্যধাৰা

**অধ্যায় ৯ ঃ উপন্যাস**

সাহিত্যৰ এটা প্ৰধান শাখা হিচাপে উপন্যাস আৰু ইয়াৰ ক্ৰমবিকাশৰ ইতিহাস; উপন্যাসৰ সংজ্ঞা; উপন্যাসৰ উপাদান ঃ উপন্যাসৰ কাহিনী, উপন্যাসৰ প্লট, উপন্যাসৰ চৰিত্ৰ, উপন্যাসৰ বিষয়বস্তু ,উপন্যাসৰ কথকতা; উপন্যাসৰ প্ৰতীক আৰু চিত্ৰকল্প, উপন্যাসৰ আংগিক; উপন্যাসৰ শ্ৰেণী বিভাগঃ কাহিনী আৰু বিষয়বস্তুগত শ্ৰেণী বিভাজন, মনোভংগীৰ শ্ৰেণী বিভাজন; আধুনিক উপন্যাস; ঔপন্যাসিকৰ জীৱন দৰ্শন

**অধ্যায় ১০ ঃ চুটিগল্প**

সাহিত্যৰ এটি প্ৰধান শাখা হিচাপে চুটিগল্প আৰু তাৰ ক্ৰমবিকাশ ঃ চুটিগল্পৰ সংজ্ঞা, চুটিগল্পৰ বিভিন্ন উপাদান, চুটিগল্পৰ শ্ৰেণীবিভাজন, চুটিগল্প আৰু সাহিত্যৰ আন আন বিভাগ

**অধ্যায় ১১ ঃ জীৱনী আৰু আত্মজীৱনী**

জীৱনীৰ স্বৰূপ; জীৱনীৰ সংজ্ঞা, লক্ষণ; জীৱনীৰ শ্ৰেণীবিভাগ; জীৱনী ৰচনাৰ প্ৰক্ৰিয়া আৰু সমল; জীৱনীৰ সগোত্ৰীয় সাহিত্য — আত্মজীৱনী; জীৱনী আৰু আত্মজীৱনীৰ মাজত থকা পাৰ্থক্যসমূহ

**অধ্যায় ১২ ঃ পাশ্চাত্য সমালোচনা — ১**

সমালোচনা ঃ সমালোচনা সাহিতৰ ক্ৰমবিকাশ; সমালোচনা আৰু সমালোচক, সমালোচনা আৰু সৃষ্টিশীল ৰচনা; সমালোচনাৰ ধাৰা — এৰিষ্টটলৰ পৰা ৰোমাণ্টিচিজম

**অধ্যায় ১৩ ঃ পাশ্চাত্য সমালোচনা — ২**

নব্য সমালোচনা, আধুনিকতাবাদ, আধুনিকতাবাদত ব্যৱহৃত কেইটামান তাত্ত্বিক দিশ

**অধ্যায় ১৪ ঃ পাশ্চাত্য সমালোচনা — ৩**

উত্তৰ-আধুনিকতাবাদ, ঔপনিৱেশিতাবাদ আৰু উত্তৰ-ঔপনিৱেশিকতাবাদ

## দ্বিতীয় পাঠ্যবিষয় ঃ ভক্তি সাহিত্য (সাহিত্য শাখাৰ শিক্ষাৰ্থীসকলৰ বাবে)

মুঠ ক্ৰেডিট ঃ = ৪

মুঠ নম্বৰ ঃ **৮০+২০ = ১০০**

**অধ্যায় ১ ঃ ভক্তি আৰু ভক্তিতত্ত্ব**

ভক্তিৰ সংজ্ঞা; ভক্তিৰ স্বৰূপ আৰু বৈশিষ্ট্য; ভক্তিৰ প্ৰকাৰ — সগুণ ভক্তি, নিগুণ ভক্তি ঃ সগুণ ভক্তিৰ স্বৰূপ, নিৰ্গুণ ভক্তিৰ স্বৰূপ; মহাপুৰুষীয়া ধৰ্মত ভক্তিৰ স্বৰূপ

**অধ্যায় ২ ঃ ভাৰতীয় ভক্তি সাহিত্যৰ পটভূমি**

ভাৰতীয় ভক্তি সাহিত্য, বৈদিক আৰু উপনিষদীয় সাহিত্যত ভক্তি; আলৱাৰসকলৰ ভক্তি; শৈৱ ভক্তি, বৈষ্ণৱ ভক্তি, শাক্ত শক্তি; মধ্য যুগৰ ভক্তিসাহিত্য; ভক্তি সাহিত্যৰ দাৰ্শনিক পটভূমি

**অধ্যায় ৩ ঃ ভাৰতীয় ভক্তি সাহিত্যৰ উৎপত্তি আৰু বিকাশ**

সংস্কৃত ভক্তি সাহিত্য; তামিল ভক্তি সাহিত্য; মধ্যযুগীয়া ভক্তি সাহিত্য; কবীৰ দাস, সুৰ দাস, মীৰাবাঈ, তুলসীদাস, শঙ্কৰদেৱ, চৈতন্য দেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱৰ ভক্তি সাহিত্য; শাক্ত ভক্তি সাহিত্য; পদ্মাপুৰাণ, মনসা কাব্য, শ্ৰী শ্ৰী চণ্ডী ইত্যাদি; শৈৱ ভক্তি সাহিত্যঃ শিৱপুৰাণ, হৰগৌৰী সংবাদ ইত্যাদি

**অধ্যায় ৪ ঃ অসমীয়া ভক্তি সাহিত্যৰ বৈশিষ্ট্য আৰু ধাৰা**

অসমীয়া ভক্তি সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য; অসমীয়া ভক্তি সাহিত্যৰ ধাৰাঃ সগুণ ভক্তিধাৰা, নিৰ্গুণ ভক্তিধাৰা; সগুণ ভক্তিধাৰা ঃ ৰাম ভক্তিধাৰা, কৃষ্ণ ভক্তিধাৰা; নিৰ্গুণ ভক্তিধাৰাঃ জ্ঞানমাৰ্গ, সন্তমাৰ্গ, চুফী মাৰ্গ; ভক্তি সাহিত্যৰ সামাজিক অভিব্যক্তি; নৈতিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনাত ভক্তি সাহিত্যৰ ভূমিকা

**অধ্যায় ৫ ঃ ভক্তিতাত্ত্বিক গ্ৰন্থ হিচাপে 'কীৰ্ত্তন'**

'কীৰ্ত্তন'ৰ বিষয়বস্তু; কীৰ্ত্তনৰ বিভিন্ন অধ্যায়ৰ মূল আৰু ৰচনাকাল; কীৰ্ত্তন পুথিৰ সংগ্ৰহ আৰু সম্পাদন; কীৰ্ত্তন পুথিত প্ৰতিফলিত ভক্তিতত্ত্ব; কীৰ্ত্তন পুথিত প্ৰকাশিত ৰস; কীৰ্ত্তনৰ সাহিত্যিক সৌন্দৰ্য

**অধ্যায় ৬ Ð *কীৰ্ত্তন ঃ* বলিচলন আৰু অজামিল উপাখ্যান**

বলিচলনৰ ভক্তিতত্ত্ব; অজামিল উপাখ্যানৰ ভক্তিতত্ত্ব; দুয়োটা খণ্ডৰ ৰচনাশৈলীৰ তুলনা; দুয়োটা খণ্ডৰ মাজেৰে প্ৰকাশিত ভক্তিৰ মাহাত্ম্য

**অধ্যায় ৭ ঃ ভক্তিতাত্ত্বিক গ্ৰন্থ হিচাপে 'নামঘোষা'**

'নামঘোষা'ৰ আধাৰ গ্ৰন্থ; নামঘোষাত গুৰুভক্তিৰ মাহাত্ম্য; নামঘোষাত মাধৱদেৱৰ আত্মলঘিমা, নামঘোষাত কৃষ্ণ ভক্তিৰ মাহাত্ম্য; নামঘোষাৰ নাম, দেৱ, গুৰু, ভকত আদিৰ তত্ত্ব; নামঘোষাৰ সাহিত্যিক

সৌন্দৰ্য; নামঘোষাৰ ভক্তিতত্ত্ব; নামঘোষাৰ অন্তৰ্নিহিত দৰ্শন; নামঘোষাৰ অনুবাদ ৰীতি

**অধ্যায় ৮ ঃ *নামঘোষা* ঃ 'উপদেশ' আৰু 'নিন্দা'**

'নামঘোষা'ত উপদেশৰ তাৎপৰ্য; নামঘোষাত নিন্দাৰ তাৎপৰ্য, নামঘোষাত হৰিভক্তিৰ মাহাত্ম্য, নামঘোষাত সংসাৰ-তাৰণৰ উপায়

**অধ্যায় ৯ ঃ ভট্টদেৱৰ কথা ভাগৱত ঃ সাধাৰণ আলোচনা**

ভট্টদেৱৰ পৰিচয়; ভট্টদেৱৰ সাহিত্য প্ৰতিভা; কথা ভাগবত আৰু ভট্টদেৱৰ গদ্যৰীতি, ভাগৱতৰ বিভিন্ন টীকা; কথা ভাগৱতত ভট্টদেৱৰ পাণ্ডিত্য আৰু ব্যক্তিত্ব; কথা ভাগৱতত প্ৰকাশিত ভক্তিতত্ত্ব; কথা-ভাগৱত আৰু অসমীয়া গদ্য পৰম্পৰা

**অধ্যায় ১০ ঃ *কথা ভাগৱত* ঃ প্ৰথম আৰু দ্বিতীয় অধ্যায়**

কথা ভাগৱতঃ প্ৰথম অধ্যায়ৰ চমু আলোচনা; কথা ভাগৱতঃ দ্বিতীয় অধ্যায়ৰ চমু আলোচনা; কথা ভাগৱতৰ গদ্যৰীতিৰ বৈশিষ্ট্য

**অধ্যায় ১১ ঃ দুৰ্গাবৰৰ *গীতি ৰামায়ণ* ঃ সাধাৰণ আলোচনা**

অসমীয়া ৰামায়ণ পৰম্পৰা; দুৰ্গাবৰৰ কাব্য প্ৰতিভা; গীতি ৰামায়ণৰ মূল আৰু ৰচনাকাল; গীতি ৰামায়ণৰ ৰচনাৰীতি; গীতি ৰামায়ণৰ প্ৰক্ষিপ্ততা; গীতি ৰামায়ণৰ সাহিত্যিক সৌন্দৰ্য

**অধ্যায় ১২ ঃ *গীতি ৰামায়ণ* ঃ অৰণ্য কাণ্ড আৰু কিষ্কিন্ধ্যা কাণ্ড**

গীতি ৰামায়ণৰ অৰণ্যকাণ্ডৰ চমু পৰিচয়; গীতি ৰামায়ণৰ কিষ্কিন্ধ্যাকাণ্ডৰ চমু পৰিচয়; গীতি ৰামায়ণত কবিৰ দৃষ্টিভংগী; গীতি ৰামায়ণ আৰু বাল্মিকী ৰামায়ণ; গীতি ৰামায়ণ আৰু কৃত্তিবাসী ৰামায়ণ; গীতি ৰামায়ণ আৰু মাধৱ কন্দলিৰ ৰামায়ণ; গীতি ৰামায়ণৰ বিষয়বস্তুত লোক-জীৱনৰ প্ৰভাৱ

**অধ্যায় ১৩ ঃ ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডী* ঃ সাধাৰণ আলোচনা**

ৰুচিনাথ কন্দলিৰ সময় আৰু সাহিত্য প্ৰতিভা, শ্ৰীশ্ৰী চণ্ডী ঃ সাধাৰণ আলোচনা; শ্ৰী শ্ৰী চণ্ডীত প্ৰকাশিত শক্তি তত্ত্ব; অসমৰ শক্তি সাহিত্যত শ্ৰীশ্ৰী চণ্ডীৰ স্থান; শ্ৰী শ্ৰী চণ্ডী কাব্যখনিৰ অভ্যন্তৰীণ সৌন্দৰ্য

**অধ্যায় ১৪ ঃ *শ্ৰীশ্ৰী চণ্ডীৰ* প্ৰথম আৰু দ্বিতীয় মাহাত্ম্য**

শ্ৰীশ্ৰীচণ্ডীৰ প্ৰথম মাহাত্ম্যৰ বিষয়বস্তু; শ্ৰীশ্ৰীচণ্ডীৰ প্ৰথম মাহাত্ম্যৰ সাহিত্যিক সৌন্দৰ্য; শ্ৰীশ্ৰী চণ্ডীৰ প্ৰথম মাহাত্ম্যত প্ৰকাশিত হোৱা আধ্যাত্মিক তত্ত্ব; শ্ৰীশ্ৰীচণ্ডীৰ দ্বিতীয় মাহাত্ম্যৰ বিষয়বস্তু; শ্ৰীশ্ৰীচণ্ডীৰ দ্বিতীয় মাহাত্ম্যৰ সাহিত্যিক সৌন্দৰ্য; শ্ৰীশ্ৰীচণ্ডীৰ দ্বিতীয় মাহাত্ম্যত প্ৰকাশিত হোৱা আধ্যাত্মিক তত্ত্ব

## দ্বিতীয় পাঠ্যবিষয় ঃ ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয় (ভাষা শাখাৰ শিক্ষাৰ্থীসকলৰ বাবে)

মুঠ ক্ৰেডিট ঃ = ৪

মুঠ নম্বৰ ঃ **৮০+২০ = ১০০**

**অধ্যায় ১ ঃ ভাষাবিজ্ঞান ঃ এটি পৰিচয়**

ভাষাবিজ্ঞান ঃ এটি চমু অৱলোকন; ভাষাবিজ্ঞানক বিজ্ঞান কিয় বোলে; ভাষাবিজ্ঞানৰ পৰিসৰ; ভাষা বিজ্ঞানৰ প্ৰয়োজনীয়তা; ভাষাবিজ্ঞান আৰু অন্যান্য বিষয়ৰ সম্পৰ্ক; ভাষাবিজ্ঞানৰ সামগ্ৰী

**অধ্যায় ২ ঃ ভাষাবিজ্ঞান-ভাষাতত্ত্ব আৰু ব্যাকৰণ**

ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব ঃ প্ৰকাৰ আৰু ক্ষেত্ৰ, ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ প্ৰভেদ; ভাষাবিজ্ঞান আৰু ব্যাকৰণ ঃ প্ৰকাৰ আৰু ক্ষেত্ৰ, ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ প্ৰভেদ; ভাষাবিজ্ঞান- ভাষাতত্ত্ব আৰু ব্যাকৰণৰ সম্পৰ্ক

**অধ্যায় ৩ ঃ ভাষা অধ্যয়নৰ ক্ৰমবিকাশ**

ভাষা অধ্যয়নৰ ক্ৰমবিকাশঃ প্ৰাচীন যুগ ঃ চীনিয়, ভাৰতীয়, ৰোমানীয়, বেবিলনীয় , গ্ৰীচীয়; মধ্যযুগঃ

আৰবীয়, ইউৰোপীয়; আধুনিক যুগ ঃ ঐতিহাসিক, বৰ্ণনামূলক, সৃজনমূলক, অন্যান্য

